Total number of printed pages–7

**14 (ASM-3) 3036/66/76**

# 2018

## ASSAMESE

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

Paper : ASM–3036

৮ নং প্ৰশ্নটো বাধ্যতামূলক। বাকী প্ৰশ্নসমূহৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখিবা।

১। মেঘদূত-ৰ ‘পূৰ্বমেঘ’ অংশৰ সহায়ত কালিদাসৰ উপমাৰ বিশিষ্টতা সন্দৰ্ভত এটা প্ৰবন্ধ লিখা। ১৬

২। হাইকু কবিতা সন্দৰ্ভত এটা টোকা লিখি ‘এটা পুৰণা পুখুৰী’ হাইকুটিৰ সহায়ত মাৎছুও বাচোক এগৰাকী নিপুণ হাইকু ৰচোঁতা হিচাপে প্ৰতিষ্ঠা কৰা। ৮+৮=১৬

Contd.

৩। *মৃচ্ছকটিকম* নাটকৰ শিৰোনামৰ যথাৰ্থতা বিচাৰ কৰা। ১৬

৪। *ৰেইটিং ফৰ গডো* নাটকত সময়ে অনা পৰিৱৰ্তন কিদৰে চিত্তাকৰ্ষক হৈ উঠিছে, দেখুওৱা। ১৬

৫। তোমাৰ পাঠ্যৰ আধাৰত মোঁপাছা আৰু চেখভৰ গল্পৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা। ১৬

৬। 'মেটামৰ্ফ'ছিছ' গল্পত উত্তৰ-আধুনিকতাবাদী গল্পৰ আদিৰূপ কিদৰে পোৱা যায়, বিশ্লেষণ কৰি দেখুওৱা। ১৬

৭। 'ওয়ান হানড্ৰেড ইয়েৰ্ছ অৱ চলিট্যিউড' উপন্যাসৰ সহায়ত যাদুকৰী বাস্তৱবাদ সন্দৰ্ভত এটা আলোচনা আগবঢ়োৱা। ১৬

৮। চুমুটোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৪×৪=১৬

(ক) ব'দলেয়াৰ আৰু আধুনিকতা

(খ) 'লাভ ছং অৱ জে আলফ্ৰেড প্ৰুফ্ৰক' কবিতাত ব্যক্তিগত দ্বন্দ্বৰ ৰূপায়ণ



(গ) 'এন এনিমি অৱ দ্য পিপ্‌ল' নাটকৰ ডাঃ স্টকমেনৰ চৰিত্ৰ

(ঘ) চেখভৰ গল্পৰ হাস্য মধুৰতা

(ঙ) হেমিংৱেৰ উপন্যাসৰ ভাষাৰ বৈশিষ্ট্য

(চ) লৰ্কাৰ কবিতাত লোক-উপাদান

Paper : ASM–3066

১। (ক) অসমীয়া ভাষাৰ উপভাষা সম্পর্কে এটি আলোচনা আগবঢ়োৱা। ১৬

*অথবা*

(খ) অসমীয়া ভাষাৰ মান্যৰূপৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ লগত গোৱালপৰীয়া উপভাষাৰ ৰূপতাত্ত্বিক পাৰ্থক্য সমূহ উদাহৰণৰ সৈতে লিখা। ১৬

২। (ক) কামৰূপী উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যৰ আলোচনা কৰি ইয়াৰ সৈতে মান্য অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ সাদৃশ্য বৈসাদৃশ্য নিৰূপণ কৰা। ৮+৮=১৬

*অথবা*

(খ) দৰঙী উপভাষাৰ শব্দগত দিশত কেতবোৰ বিশেষ বৈশিষ্ট্য লক্ষ্য কৰা যায়—কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰি উদাহৰণসহ আলোচনা কৰা। ১৬

৩। (ক) অসমৰ নৃগোষ্ঠীয় উপভাষা কোনবোৰ? তাৰে *যিকোনো এটি* উপভাষাৰ ভাষিক বৈশিষ্ট্য নিৰূপণ কৰা। ২+১৪=১৬

*অথবা*

(খ) দৰঙী আৰু মৰিগঞা উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ পাৰ্থক্য নিৰ্ণয় কৰা। ১৬



৪। (ক) সামাজিক উপভাষাৰ সংজ্ঞা নিৰূপণ কৰি অসমৰ মৰীয়া সম্প্ৰদায়ৰ ভাষাৰ চমু পৰ্যালোচনা আগবঢ়োৱা। ৪+১২=১৬

*অথবা*

(খ) একোটো উপভাষা কথ্যৰূপত থাকিলে কি কি পদ্ধতিৰে অধ্যয়ন তথা গৱেষণা কৰা হয়। বিৱৰি লিখা। ১৬

৫। *যিকোনো দুটাৰ* বিষয়ে চমুকৈ লিখা ঃ ২×৮=১৬

(ক) উপভাষা-ভূগোল

(খ) ছপা আৰু বৈদ্যুতিন মাধ্যমৰ ভাষা

(গ) ডাইগ্লচিয়া বা দ্বিপাৰ্শ্বিকতা

(ঘ) সামাজিক উপভাষা হিচাপে অসমৰ কৈৱৰ্ত সম্প্ৰদায়ৰ কথ্যৰূপৰ বিশেষত্ব।

Paper : ASM–3076

১। (ক) ভাষা-সংযোগ (Language Contact)-ৰ বিভিন্ন ৰূপ আৰু এনে ৰূপৰ সৃষ্টিক প্ৰভাৱিত কৰা কাৰক বোৰৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰা। ১৬

*অথবা*

(খ) ভাষাগত ঋণ (Borrowing) -ৰ ব্যৱহাৰ কিয় কৰা হয়? ইয়াৰ শ্ৰেণীবিভাজন কৰি ভাষাৰ কি কি স্তৰত ইয়াক দেখা যায় ব্যাখ্যা কৰা। ১৬

২। (ক) ভাষিক স্থানান্তৰ (Language Shift) পৰিঘটনাক প্ৰভাৱিত কৰিব পৰা কাৰকবোৰ চিহ্নিত কৰি উদাহৰণ সহ আলোচনা কৰা। ১৬

*অথবা*

(খ) ভাষিক সংৰক্ষণ (Language Maintenance)-ত চৰকাৰ আৰু বেচৰকাৰী সংগঠনৰ ভূমিকাৰ বিশ্লেষণ কৰা। ১৬

৩। (ক) আন্তঃভাষাগোষ্ঠীয় যোগাযোগৰ মাধ্যম হিচাপে পিজিনে কেনেধৰণৰ ভূমিকা পালন কৰিব পাৰে, 'নাগামিজ'ৰ আধাৰত আলোচনা কৰা। ১৬



*অথবা*

(খ) পিজিন এটাৰ উথান পতনত অভাষাগত কাৰকৰ ভূমিকা বিশ্লেষণ কৰা। ১৬

৪। ক্ৰেওলৰ উৎপত্তি কিয় আৰু কেনেকৈ হয়? 'ক্ৰেওল' ভাষাৰ ৰাজনৈতিক আৰু সামাজিক মৰ্যাদা অন্য স্বাভাৱিক ভাষাৰ লগত একে হয়নে নহয় বিচাৰ কৰা। ৬+১০=১৬

৫। চমুকৈ লিখা ঃ *(যিকোনো দুটা)* ৮×২=১৬

(ক) বাৰ্তা-সংক্ৰমণৰ (Code switching) ৰ উদ্দেশ্য

(খ) মিশ্ৰ ভাষা (Mixed Language)

(গ) সংযোগী ভাষা

(ঘ) চাদানী ভাষা ব্যৱহাৰ (Language use)